ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পছন্দভিত্তিক মূল্যায়ন পদ্ধতি (CBCS) অনুসৰি চতুৰ্থ ষান্মাসিকৰ সমাজতত্ত্বৰ সাধাৰণ বাছনি (Generic Elective) পাঠ্যক্ৰমৰ চতুৰ্থ কাকত

---

# সামাজিক লিঙ্গ আৰু হিংসা

# GENDER AND VIOLENCE


**ড° হিমান্ত বৰগোহাঁই**

মুৰব্বী অধ্যাপক, সমাজতত্ত্ব বিভাগ

আমগুৰি মহাবিদ্যালয়, শিৱসাগৰ

**ড° ত্ৰৈলোক্য দিহিঙীয়া**

সহযোগী অধ্যাপক, সমাজতত্ত্ব বিভাগ

খোৱাং মহাবিদ্যালয়, খোৱাংঘাট, ডিব্ৰুগড়



বনলতা

বনলতা | ডিব্ৰুগড়-১ • গুৱাহাটী-১

**SAMAJIK LINGA ARU HINGSHA :** *A book of Sociology on Gender and Violence (for CBCS fourth Semester, Generic Elective) written by Dr. Himanta Borgohain, HoD of Sociology, Amguri College, Amguri and Dr. Trailokya Dehingia, Associate Professor, Khowang College, Khowang Ghat, Dibrugarh, Assam and Published by Sri Pradyut Hazarika on behalf of Banalata, Dibrugarh, Assam*

*2nd Edition : June, 2022* *Price : Three Hundred only.*

---

**প্ৰকাশক ঃ**
শ্ৰীপ্ৰদ্যুৎ হাজৰিকা, *এম. বি. এ.*
বনলতা, ডিব্ৰুগড়-১

**শাখা ঃ**
পাণবজাৰ, গুৱাহাটী-১

website : www.banalata.in
webmail : banalata@banalata.in
email : banalata_india@yahoo.com

© লেখকৰদ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

**প্ৰথম সংস্কৰণ ঃ** জুলাই, ২০২১
**দ্বিতীয় সংস্কৰণ ঃ** জুন, ২০২২

**মূল্য ঃ** ৩০০.০০ টকা মাত্ৰ

**ডি. টি. পি. ঃ**
পবিত্ৰ হাজৰিকা
ঢেকৰগড়া, যোৰহাট-৭৮৫০১৫

**মুদ্ৰক ঃ**
Banalata Print & Pack, Sector A.G.

# সূচীপত্ৰ

## প্ৰথম অধ্যায়

১. সামাজিক লিংগ আৰু হিংসা ১—৩৮
**(Gender and Violence)**
১.১ সামাজিক লিংগভিত্তিক হিংসাৰ সংজ্ঞা
(Defining Gender Based Violence)
■ সামাজিক লিংগভিত্তিক হিংসাৰ নৃতত্ত্ব
(The Anthropology of Gender Based Violence)
■ বিশ্বায়নৰ ৰাজনৈতিক অৰ্থনীতিত স্থানীয় কৰ্মীসকল
(Local Workers in the Global Political Economy)
১.২ সামাজিক লিংগগত হিংসাৰ দৃষ্টিভংগী (ব্যক্তিবাদী, সমাজবাদী আৰু ক্ৰিয়াত্মকবাদী দৃষ্টিভংগী)
Perspectives of Gendered Violence (Individualistic, Social Perspectives and Functional Perspective)
■ সামাজিক লিংগগত হিংসাৰ ক্ৰিয়াত্মক দৃষ্টিভংগী
(Functional Perspective of Gendered Violence)
■ সামাজিক লিংগগত হিংসাৰ ব্যক্তিবাদী দৃষ্টিভংগী
(Individualistic Approach to Gendered Violence)
■ সামাজিক লিংগগত হিংসাৰ সামাজিক দৃষ্টিভংগী
(Social Perspectives on Gendered Violence)

## দ্বিতীয় অধ্যায়

২. সংৰচনাত্মক আৰু পৰিস্থিতিগত হিংসা ৩৯—১৩০
**(Structural and Situated Violence)**
২.০ পৰিচয় (Introduction)
২.১ জাতি, সামাজিক লিংগ আৰু হিংসা
(Caste, Gender and Violence)
■ হিংসাৰ স্বৰূপ আৰু পুনৰাবৃত্তি
(Forms and Frequency of Violence)

- সামাজিক লিংগ হিংসাৰ স্থান
  (Location of Gender Violence)
- সাধাৰণ সম্প্ৰদায়ত হিংসাৰ অপৰাধীসকলৰ সামাজিক স্থান
  (Social status of Perpetrators of Violence in the General Community)
- সাধাৰণ সম্প্ৰদায়ত হিংসাত অৱতীৰ্ণ অপৰাধীৰ জাতিৰ পটভূমি
  (Caste Background of Perpetrators of Violence in General Community)
- মহিলাসকলৰ ওপৰত চলা হিংসাৰ প্ৰভাৱ
  (Effects of Violence on Women)
- দলিত মহিলাসকলৰ সাহস, শক্তি আৰু স্থিতিস্থাপকতা
  (Courage, Strength and Resilience of Dalit women)

২.২ ঘৰুৱা আৰু পাৰিবাৰিক হিংসা
Domestic and Familial Violence

২.৩ সামাজিক লিংগ আৰু সংঘৰ্ষমূলক পৰিস্থিতি
(Gender and the Conflict Situation)

- বিবাদৰ কাৰণ হিচাপে লিংগ
  (Gender as a Causal factor in Conflict)
- সামাজিক লিংগ সমতা, সামাজিক লিংগ আধাৰিত হিংসা, সামাজিক লিংগৰ প্ৰতিমান আৰু সংঘৰ্ষৰ মাজত আন্তঃসম্পৰ্ক
  (Link between gender equality, gender based violence gender norms and conflict)
- সামাজিক লিংগৰ প্ৰতিমান আৰু সংঘৰ্ষৰ সম্পৰ্ক
  (Link between gender norms and conflict)
- পুৰুষতান্ত্ৰিক প্ৰতিষ্ঠান/সংৰচনা আৰু সামৰিকবাদৰ মাজত সম্পৰ্ক
  (Link between Partiarchal Institutions/Structures and Militarism)

২.৪ হিংসা, উৎপীড়ন বা নিৰ্যাতন আৰু কৰ্মক্ষেত্ৰ
Violence, Harassment and Workplace

■ নিৰ্যাতন বা হাৰাশাস্তি আৰু কৰ্মস্থান
(Harassment and Workplace)
■ কৰ্মক্ষেত্ৰত যৌন উৎপীড়ন বা নিৰ্যাতন
(Sexual Harassment at Work place)


## তৃতীয় অধ্যায়


৩. **যৌন হিংসা (Sexual Violence)** ১৩১—১৬৪

৩.১ যৌন নিৰ্যাতনৰ প্ৰকৃতি (আইনগত দৃষ্টিভংগী)
Nature of Sexual Harassment (legal perspective)

■ যৌন নিৰ্যাতনৰ অৰ্থ আৰু প্ৰকৃতি
(Meaning and Nature of Sexual Harassment)

■ যৌন নিৰ্যাতনৰ স্বৰূপ
(Forms of Sexual Harassment)

■ ধৰ্ষণ ঃ অৰ্থ আৰু আইনগত আলোচনা
(Rape : Meaning and Legal Discourse)

■ ধৰ্ষণ সম্পৰ্কে নাৰীবাদী আলোচনা
(Feminist Discourse on Rape)

■ যৌন নিৰ্যাতনৰ প্ৰকাৰ
Type of Sexual Harassment

■ যৌন নিৰ্যাতনৰ পৰিণাম
(Effects of Sexual Harassment)

৩.২ যৌনবাহিত ৰোগ, মহিলাৰ ভ্ৰূণহত্যা আৰু স্ত্ৰী হিংসা
(Sexually Transmitted Disease, Female Foeticide and Spousal Violence)

৩.২.১ যৌনবাহিত ৰোগ
(Sexually Transmitted Disease)

■ যৌনবাহিত ৰোগৰ লক্ষণ
(Symptoms of Sexually Transmitted Disease)

■ যৌনবাহিত ৰোগৰ প্ৰকাৰ
(Types of Sexually Transmitted Diseases)

■ HIV/AIDS : এক সংক্ষিপ্ত আলোচনা
(HIV/AIDS : A Brief Discussion)
৩.২.২মহিলা ভ্ৰূণহত্যা (Female Foeticide)
৩.২.৩ স্ত্ৰী হিংসা (Spousal Violence)
■ স্ত্ৰী হিংসা সম্পৰ্কীয় সামাজিক সিদ্ধান্ত
(Social Theories relating to Spousal Violence)
৩.৩. লিংগভিত্তিক হিংসা আৰু গণ মাধ্যম
(Gendered Violence and Media)

## চতুৰ্থ অধ্যায়

**৪. লিংগভিত্তিক হিংসাৰ উপস্থাপন ঃ ৰাজনীতি আৰু ৰাজহুৱা নীতি ১৬৫—১৯২**
**(Addressing Gendered Violence : Politics and Public Policy)**
৪.১ ভাৰতবৰ্ষত যৌন হিংসা ৰোধ কৰাৰ আইনী ব্যৱস্থা
৪.২ ঘৰুৱা হিংসা আইন, ২০০৫
(Domestic Violence Act, 2005)
■ পৰিসৰ (Scope)
■ ক্ষতিগ্ৰস্ত বা আক্ৰান্ত মহিলাৰ অধিকাৰ
(Rights of the Aggrieved Woman)
■ ঘৰুৱা হিংসা আইন ২০০৫ৰ সুবিধা আৰু অসুবিধা
(Merits and Demerits of Domestic Violence Act, 2005)
৪.৩ কৰ্মক্ষেত্ৰত মহিলাৰ যৌন নিৰ্যাতন (প্ৰতিৰোধ, নিষেধকৰণ আৰু প্ৰতিকাৰ) অধিনিয়ম, ২০১৩
(Sexual Harassment of Women at Work place (Prevention, Prohibition and Redressal) Act, 2013)
■ পটভূমি (Background)
■ প্ৰধান বৈশিষ্ট্যসমূহ (Main Features)
■ নিয়োগকৰ্তাৰ কৰ্তব্য (Duties of Employer)
■ সমালোচনা (Criticism)
প্ৰসংগ পুথি **(References)** ১৯৩—১৯৫

## তৃতীয় অধ্যায়

# যৌন হিংসা
# (Sexual Violence)

যৌন হিংসা বৰ্তমান সময়ৰ এক ভয়াৱহ সামাজিক সমস্যা। যৌন হিংসাৰ দৰে ঘটনাই বৰ্তমান সমগ্ৰ সমাজখনকে কলুষিত কৰিছে। সম্প্ৰতি আমাৰ দেশতো বিভিন্ন ঠাইত সংঘটিত যৌন হিংসাৰ বাতৰিয়ে সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰিছে। যৌন হিংসা বুলি ক'লে সাধাৰণতে পুৰুষ আৰু নাৰীৰ মাজত সংঘটিত অবাঞ্ছিত যৌন কাৰ্যক বুজা যায়; যি যৌন ক্ৰিয়া হিংসাৰ দ্বাৰা অৰ্থাৎ নাৰীগৰাকীৰ অনুমতি বিহীনভাৱে, অনিচ্ছাকৃতভাৱে সংঘটিত হয়। এনে যৌন ক্ৰিয়া পুৰুষৰ দ্বাৰা জবৰদস্তি বা দমনমূলকভাৱে সংঘটিত হয়। ঐতিহাসিক দিশৰ পৰা যৌন হিংসা কেৱল নাৰী অৰ্থাৎ প্ৰাপ্তবয়স্ক মহিলাৰ ক্ষেত্ৰতে সংঘটিত হয় বুলি জনা যায়। বাস্তৱতে এনে যৌন হিংসা কেৱল নাৰীৰ ক্ষেত্ৰতে সংঘটিত নহয়; নাবালিকা আৰু শিশু কন্যাৰ ক্ষেত্ৰতো হোৱা দেখা যায়। বিকৃত মানসিকতাৰ দ্বাৰা এনে যৌন হিংসাৰ দৰে ঘটনা সংঘটিত হয়। যৌন হিংসা এক গুৰুতৰ জনস্বাস্থ্যজনিত সমস্যা। যৌন হিংসাৰ ফলত ভুক্তভোগীয়ে দীৰ্ঘদিনলৈকে শাৰীৰিক আৰু মানসিক স্বাস্থ্যজনিত সমস্যাত ভুগিব লগা হয়। ই যৌন সংকট (Sexual risk) আৰু প্ৰজনন স্বাস্থ্যতো (reproductive health) সমস্যা সৃষ্টি কৰে। কিছু বছৰৰ আগলৈকে যৌন হিংসাৰ অধ্যয়ন গৱেষণাৰ ক্ষেত্ৰত যদিও উপেক্ষিত হৈ আছিল; বৰ্তমান ই সমাজ বিজ্ঞানী, নাৰীবাদী লেখক তথা চিন্তাবিদ আৰু বৌদ্ধিক মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। যৌন হিংসাৰ ধাৰণাক অধিক স্পষ্টভাৱে অনুধাৱন কৰিবৰ বাবে এই অধ্যায়ত যৌন নিৰ্যাতন, মহিলাৰ ভ্ৰূণহত্যা, স্ত্ৰী হিংসা, লিংগ হিংসা, যৌন ক্ৰিয়াৰ দ্বাৰা সংক্ৰমিত ৰোগ আদি বিষয় (issue)সমূহ আলোচনাৰ প্ৰয়াস কৰা হৈছে।

চতুৰ্থ অধ্যায়

# লিংগভিত্তিক হিংসাৰ উপস্থাপন ঃ ৰাজনীতি আৰু ৰাজহুৱা নীতি

# Addressing Gender Violence : Politics and Public Policy

সামাজিক লিংগীয় হিংসা বা লিংগভিত্তিক হিংসাৰ বিষয়ে আগৰ অধ্যায়ত ইতিমধ্যে আলোচনা কৰা হৈছে। এই অধ্যায়ত ৰাজনীতি আৰু ৰাজহুৱা নীতিৰ দৃষ্টিভংগীৰে লিংগভিত্তিক হিংসা সম্পৰ্কে আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে। লিংগভিত্তিক হিংসা বৰ্তমান এক জলন্ত জনস্বাস্থ্য বিষয়ক সমস্যা হিচাপে প্ৰতিষ্ঠিত হৈছে। ই সমগ্ৰ বিশ্বব্যাপী মানৱ অধিকাৰ ভংগৰ কাৰ্য হিচাপে পৰিগণিত হৈছে। পুৰুষ আৰু মহিলা উভয়ে লিংগভিত্তিক হিংসাৰ ভুক্তভোগী হয় যদিও সৰহ সংখ্যক মহিলাহে লিংগভিত্তিক হিংসাৰ ভুক্তভোগী হোৱা দেখা যায়। লিংগভিত্তিক হিংসাই প্ৰধানকৈ মহিলাৰ শাৰীৰিক, মানসিক আৰু যৌন স্বাস্থ্যত অনিষ্ট সাধন কৰে। ই মহিলাৰ জীৱনলৈ নিগ্ৰহ, স্বেচ্ছাচাৰিতা আৰু বঞ্চনাৰ ভাবুকি আনে। ই ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ স্বাধীনতাও খৰ্ব কৰে। ই মহিলাৰ বিৰুদ্ধে সংঘটিত সকলো প্ৰকাৰৰ হিংসা কাৰ্যক বুজায়। যাৰ ফলস্বৰূপে সমাজত লিংগ অসমতা (gender inequality) সৃষ্টি হয়। এই অসমতাই সমাজত পুৰুষ আৰু মহিলা ভেদে বৈষম্য সৃষ্টি কৰে। সমাজৰ সমাজ-সংস্কৃতিক তথা প্ৰদত্ত ধাৰণা বিশিষ্ট দায়বদ্ধতা আৰু সুবিধাৰ বাবেই সৃষ্টি হয় লিংগ বৈষম্য (gender discrimination)।

১৯৭৪-৭৫ চনৰ সময়ছোৱাত নব্য মহিলা মুক্তি আন্দোলন উত্থান হোৱাৰ পৰাই মহিলাৰ বিৰুদ্ধে হিংসা কাৰ্যই এক ব্যাপক পৰিঘটনা হিচাপে পৰিগণিত হয় (The issue of violence against women has been the most pervasive theme of the new women's liberation movement in India since its rise in 1974-75, Omvedt 1990:2)। যৌতুকৰ বাবে হিংসা বা মৃত্যু, ধৰ্ষণ,